# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-11-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - - - - - - - - -**

১। ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন। ঝাৰখণ্ডত ৬৮ শতাংশ আৰু মহাৰাষ্ট্ৰত প্ৰায় ৫৮ শতাংশ ভোটগ্ৰহণ।

২। অসম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতি যুগমীয়া কৰাৰ বাবে গুৱাহাটীৰ বৰাগাঁৱত নিৰ্মাণ কৰা শ্বহীদ স্মাৰক উদ্যানৰ নিৰ্মাণ কাৰ্য ৯০ শতাংশ সম্পূৰ্ণ।

৩। জাকজমকতাপূৰ্ণ কাৰ্যসূচীৰে গোৱাত ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ শুভাৰম্ভ।

৪। বীৰ ৰাঘৱ মৰাণৰ ২৮৯ সংখ্যক জয়ন্তীৰ দুদিনীয়া কাৰ্যসূচীৰ সামৰণি। বীৰগৰাকীৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ যুৱ সমাজৰ প্ৰতি আহ্বান। **আৰু**

৫। বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনক পৰাজিত কৰি ভাৰতীয় মহিলা দলৰ খিতাপ অৰ্জন।

০০০০০

মহাৰাষ্ট্ৰৰ একক পৰ্যায়ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ আজি বিয়লি সামৰণি পৰিছে। ঝাৰখণ্ডৰ নক্সাল অধ্যুষিত আৰু অতি স্পৰ্শকাতৰ বুলি চিহ্নিত ৩১টা ভোটকেন্দ্ৰত অৱশ্যে আবেলি ৪ বজাতে ভোটগ্ৰহণৰ সামৰণি পৰে। শেহতীয়া তথ্য অনুসৰি ঝাৰখণ্ডত ৬৭ দশমিক ৫-৯ শতাংশ আৰু মহাৰাষ্ট্ৰত ৫৮ দশমিক ২-২ শতাংশ ভোটদান হয়। অৱশ্যে ভোটগ্ৰহণৰ প্ৰকৃত হাৰ ভোটকেন্দ্ৰসমূহৰ পৰা অহা তথ্যৰ ভিত্তিত নিশাৰ ভাগলৈ নিৰ্বাচন আয়োগে প্ৰকাশ কৰিব।

আজি মহাৰাষ্ট্ৰৰ নাণ্ডেড় লোকসভা সমষ্টি, পাঞ্জাব, উত্তৰ প্ৰদেশ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণো অনুষ্ঠিত হয়। মহাৰাষ্ট্ৰৰ ২৮৮টা বিধানসভা সমষ্টিৰ বাবে মুঠ ৪ হাজাৰ ১৩৬ গৰাকী প্ৰতিদ্বন্দ্বী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ২ হাজাৰ ৮৬ গৰাকী নিৰ্দলীয় প্ৰাৰ্থী আছে। বিজেপিয়ে ১৪৯টা সমষ্টিত, শিৱসেনাৰ একনাথ সিন্দে গোটে ৮১টা সমষ্টিত আৰু এন চি পিৰ অজিত পাৱাৰ গোটে ৫৯টা সমষ্টিত প্ৰাৰ্থী দিছে। আনহাতে কংগ্ৰেছে ১০১টা সমষ্টিত, উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাই ৯৫টা সমষ্টিত আৰু এন চি পিৰ শাৰদ পাৱাৰ গোটে ৮৬টা সমষ্টিত প্ৰাৰ্থী ঠিয় কৰাইছে।

আজি ভোটদান কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত ভাৰতৰত্ন শচীন তেণ্ডুলকাৰ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে, উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছ, চলচ্চিত্ৰ অভিনেতা অক্ষয় কুমাৰ, হেমা মালিনী, ৰাজ কুমাৰ ৰাও, চলচ্চিত্ৰ পৰিচালক ৰাকেশ ৰৌছন, জয়া এহছান আদিও আছিল।

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত আজি ১২ খন জিলাৰ ৩৮টা সমষ্টিত ভোটগ্ৰহণ কৰা হয়। আজি নিৰ্বাচনী ভাগ্য নিৰূপণ হ'বলগীয়া উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত

চোৰেন, বিজেপিৰ ৰাজ্যিক সভাপতি বাবুলাল মাৰাণ্ডি, বিধানসভাৰ অধ্যক্ষ ৰবীন্দ্ৰ নাথ মাহাতো বিধানসভাত বিৰোধী পক্ষৰ নেতা অমৰনাথ কুমাৰ বৌৰি, এ জে এছ ইউৰ সভাপতি সুদেশ কুমাৰ মাহাতো, ৰাজ্যিক মন্ত্ৰী ইৰফান আনচাৰি, হাফিজুল হাচান, দীপিকা পাণ্ডে সিং আৰু মুখ্যমন্ত্ৰীৰ পত্নী কল্পনা চোৰেণো আছে।

ভোটগ্ৰহণ প্ৰায় শান্তিপূৰ্ণভাৱে সমাপ্ত হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০০

সদৌ অসম ছাত্ৰ সন্থাই আজি ৰাজ্যখনত অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিৰ প্ৰতিবাদত ৰাজ্যজুৰি ধৰ্ণা কাৰ্যসূচী পালন কৰে। ছাত্ৰ সন্থাৰ সদস্যসকলে মূল্যবৃদ্ধিৰ প্ৰতিবাদত বিভিন্ন জিলাৰ সদৰত প্ৰতিবাদী শোভাযাত্ৰা উলিয়ায় আৰু মূল্যবৃদ্ধি ৰোধ কৰিবলৈ কাৰ্যকৰী ব্যৱস্থা ল'বলৈ চৰকাৰ ওচৰত দাবী জনায়।

০০০০০

গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চলত খোৱাপানীৰ সমস্যাই জনসাধাৰণক জুৰুলা কৰিছে। গুৱাহাটী জল ব'ৰ্ডে নতুন অঞ্চলত পানী সংযোগ দিয়া আৰু পানীৰ পাইপলাইন শক্তিশালী কৰিবলৈ যোৱা ১৫ নৱেম্বৰৰ পৰা দুদিনৰ বাবে পানী যোগান বন্ধ কৰিব বুলি ঘোষণা কৰিছিল যদিও এই কাম এতিয়াও সম্পূৰ্ণ নোহোৱাত মহানগৰীৰ বিস্তীৰ্ণ অঞ্চলত পাইপযোগে পানী যোগান আজিও বন্ধ হৈ আছে। মহানগৰীত পানী যোগান ধৰা লিচুবাগান, অমিয়নগৰ আৰু ৰামছা পাহাৰৰ জলাশয়ৰ পৰা পানী যোগান সম্পূৰ্ণভাৱে বন্ধ হৈ আছে। মহানগৰীৰ আন দুটা পানী যোগানকাৰী সংস্থা গুৱাহাটী পৌৰ নিগম আৰু নগৰীয়া পানী যোগান ব'ৰ্ডৰ পানীযোগানো অনিময়ীয়া হোৱাত নাগৰিকসকলে খোৱাপানীৰ বাবে ব্যক্তিগত পানী যোগানকাৰীৰ পৰা উচ্চ মূল্যত পানী ক্ৰয় কৰিবলগীয়া হৈছে। মহানগৰীৰ পানী যোগান সমস্যা সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত কুমাৰ বৰা-

**ভইচ (হেমন্ত কুমাৰ বৰা)**

০০০০০

৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আজি গোৱাৰ পানাজীত আৰম্ভ হৈছে। অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ ছবি প্ৰদৰ্শন আৰম্ভ হয়। আজি বিয়লি ৫ বজাত পানাজীৰ শ্যামাপ্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত জাকজমকতাপূৰ্ণ অনুষ্ঠানৰ মাজেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগম-এন এফ ডি চি আৰু গোৱা চৰকাৰৰ অধীনস্থ গোৱা বিনোদন চ'ছাইটিৰ উদ্যোগত আয়োজিত এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শিত হ'ব। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। এইবাৰৰ মহোৎসৱত অষ্ট্ৰেলিয়াক মূল দেশৰূপে স্বীকৃতি দিয়া হৈছে আৰু অষ্ট্ৰেলিয়াৰ কিংবদন্তি ছবি নিৰ্দেশক ফিলিপ ন'য়ছক এই মহোৎসৱতে সন্মানীয় সত্যজিৎ ৰায় জীৱনজোৱা সাধনা বঁটা প্ৰদান কৰা হ'ব। চলচ্চিত্ৰ মহোৎসৱৰ মূল আকৰ্ষণ আন্তৰ্জাতিক ছবিৰ প্ৰতিযোগিতা শাখাত বিভিন্ন দেশৰ ১৫খন ছবিক অন্তৰ্ভুক্ত কৰা হৈছে। সৰ্বশ্ৰেষ্ঠ বিবেচিত হোৱা ছবিখনক গল্ডেন পিকক আৰু নগদ ৪০ লাখ টকাৰে পুৰস্কৃত কৰা হ'ব। ইণ্ডিয়ান পেনৰামা শাখাত অন্তৰ্ভুক্ত ছবিৰ ভিতৰত হিন্দী ছবি স্বতন্ত্ৰ বীৰ চাভাৰকাৰ, লাডাখী ছবি ঘৰ জেচা কুছ, আৰ্টিক'ল থ্ৰি ছেভেনণ্টি, টুৱেল্‌ভ ফেইলও আছে। আনহাতে, আই চি এছ পি ইউনেস্কো শাখাত অসমীয়া ছবি জুইফুল, বাংলা ছবি আমাৰ বছ আৰু হিন্দী ছবি শ্ৰীকান্ত অন্তৰ্ভুক্ত হৈছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক

চলচ্চিত্র মহোৎসৱত প্ৰতিদিনৰ বা-বাতৰি বিস্তৃতভাৱে প্ৰচাৰ কৰাৰ ব্যৱস্থা লৈছে। মহোৎসৱৰ আজিৰ অনুষ্ঠান সম্পৰ্কত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে গোৱাৰ পৰা পঠিওৱা পোনপটীয়া প্ৰতিবেদন কাইলৈ পুৱা ৯ বজাৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০

বীৰ ৰাঘৱ মৰাণৰ ২৮৯ সংখ্যক জয়ন্তীৰ দুদিনীয়া কাৰ্যসূচীৰ আজি সামৰণি পৰিছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তিনিচুকীয়া জিলাৰ কাকপথাৰত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত আজি বীৰগৰাকীৰ জীৱনগাঁথাক লৈ প্ৰকাশ কৰা স্মৰণিকা- বীৰ ৰাঘৱ উন্মোচন কৰে ডুমডুমা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড০ প্ৰাণজিৎ শইকীয়াই। ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, ৰাজ্যৰ শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল- বলীন চেতীয়া, সুৰেন ফুকন, ৰূপেশ গোৱালা, ঋতুপৰ্ণ বৰুৱাকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকা এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ আৰু জাহাজ পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। তেওঁৰ ভাষণত সোণোৱালে এইদৰে কয়-

**বাইট (সৰ্বানন্দ সোণোৱাল)**

০০০০০

ৰাজ্যৰ পৰিবহন মন্ত্ৰী কেশৱ মহন্তই আজি গুৱাহাটী ফাঁচী বজাৰৰ সমীপত নিৰ্মীয়মান গুৱাহাটী প্ৰৱেশ পথ ঘাট অৰ্থাৎ গেটৱে অব গুৱাহাটী টাৰ্মিনেলৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে ঘাটটো শীঘ্ৰেই নিৰ্মাণ কৰি জনসাধাৰণৰ সুবিধাৰ বাবে এই ঘাটেৰে নদী পৰিবহন ব্যৱস্থা মুকলি কৰিবলৈ আভ্যন্তৰীণ জল পৰিবহন উন্নয়ন সমিতিক দিহা-পৰামৰ্শ দিয়ে। মন্ত্ৰীগৰাকীয়ে এই সম্পৰ্কত কয় যে নিৰ্মীয়মান গুৱাহাটীৰ প্ৰৱেশ পথ ঘাটেৰে ভ্ৰমণ কৰা যাত্ৰীসকলে পূৰ্বৰ তুলনাত সূচলভাৱে যাতায়ত কৰিবলৈ সক্ষম হ'ব। উল্লেখযোগ্য যে বিশ্ব বেংকৰ দ্বাৰা অনুমোদিত ৩০৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই পাৰঘাটটোৰে বছৰৰ সকলো সময়তে সূচল যাতায়ত কৰিব পৰাকৈ নিৰ্মাণ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ অধীনৰ ৰজাদুৱাৰ, গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী ঘাট, পাণ্ডু ঘাট, উমানন্দ আৰু ফাঁচী বজাৰ ঘাট পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে পাৰঘাটসমূহৰ পৰিচালনা ব্যৱস্থাৱলী আৰু সমস্যাৰ বিষয়তো আলোচনা কৰে।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ সভাকক্ষত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। এই সভাত মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, ৰেচন কাৰ্ড আদি বিভিন্ন বিষয় সন্দৰ্ভত কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। এই পৰ্যালোচনা সভাত মুখ্য কাৰ্যবাহী সদস্য দেবলাল গাৰ্লোছাকে ধৰি কাৰ্যবাহী সদস্য, সদস্যসকলৰ লগতে বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অহা ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটী খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। প্ৰকাশন প্ৰতিষ্ঠান তথা অন্যান্য বিপণীৰ বাবে ইতিমধ্যে আবেদন পত্ৰ মুকলি কৰা হৈছে। গুৱাহাটীৰ বামুণীমৈদামত থকা অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় তথা পাণবজাৰৰ যশৱন্ত পথৰ সৰস্বতী মাৰ্কেটত থকা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ কাৰ্যালয় আৰু

www.publicationboardassam.com ৱেবছাইটৰ পৰা আবেদন সংগ্ৰহ কৰিব পাৰিব। সংগৃহীত আবেদন পত্ৰসমূহ পূৰণ কৰি অহা ৩ ডিচেম্বৰৰ ভিতৰত জমা দিব লাগিব। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি অসমৰ লগতে দেশ-বিদেশৰ বহুকেইটা আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে ইতিমধ্যে অসম গ্ৰন্থমেলা, গুৱাহাটীত অংশগ্ৰহণৰ বাবে যোগাযোগ কৰিছে। উল্লেখযোগ্য যে উৰণ সেতু নিৰ্মাণৰ বাবে চানমাৰিত হৈ থকা যান-জঁটৰ পৰিপ্ৰেক্ষিতত বিকল্প স্থান হিচাপে খানাপাৰাত এইবাৰৰ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব।

ooooo

অহা ২৭ নৱেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হ'ব। এই পৰ্যটন মেলাত বিভিন্ন দেশৰ ২০গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰাৰ লগতে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ৰ ১৮০গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। তদুপৰি, উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যই পৰ্যটন মেলাত অংশগ্ৰহণ কৰি সংশ্লিষ্ট ৰাজ্যৰ হস্তশিল্প বিপণীৰ ব্যৱস্থা কৰিছে। আনহাতে, ৰাজ্যখনৰ পৰ্যটনথলীসমূহ পৰিদৰ্শনৰ বাবে প্ৰতিনিধিসকলক তিনিটা ভাগত বিভক্ত কৰি কাজিৰঙাৰ পৰা যাত্ৰা কৰাৰ সুবিধা প্ৰদান কৰা হ'ব। সেই অনুসৰি প্ৰথমযটো দল কাজিৰঙাৰ পৰা যোৰহাট-মাজুলী হৈ ডিব্ৰুগড়লৈ যাত্ৰা কৰিব। দ্বিতীয়টো দল কাজিৰঙাৰ পৰা নগাঁও-ওমৰাংছ'-পবিতৰা হৈ গুৱাহাটীলৈ যাত্ৰা কৰিব আৰু তৃতীয়টো দল তেজপুৰ-নামেৰি হৈ মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ যাত্ৰা কৰিব।

ooooo

ভাৰতে আজি বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনক ১-০ গ'লত পৰাস্ত কৰি খিতাপ দখল কৰে। খেলখনত দীপিকাই ভাৰতৰ হৈ একমাত্ৰ গ'লটো দিয়ে। ইয়াকে লৈ খেলুৱৈগৰাকীয়ে এই প্ৰতিযোগিতাত মুঠ ১১ টা গ'ল দিয়ে।

ooooo

সমাপ্ত